জনসংযোগ, অসম প্ৰেছ বাৰ্ত্তা

# কেন্দ্ৰীয় বিদ্যালয়ৰ আঞ্চলিক ক্ৰীড়া সমাৰোহ মুখ্য মন্ত্ৰীৰ দ্বাৰা উদ্বোধন

দিছপুৰ, ৩১ আগষ্ট ঃ কেন্দ্ৰীয় বিদ্যালয় সমূহে দেশত গুণগত শিক্ষাৰ প্ৰসাৰ তথা বিকাশৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আজি গুৱাহাটীৰ সৰুসজাইৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত অনুষ্ঠিত কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ আঞ্চলিক ক্ৰীড়া সমাৰোহ আনুষ্ঠানিক ভাবে উদ্বোধন কৰি মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে এইদৰে কয়।

অনুষ্ঠানত মুখ্য মন্ত্ৰী গগৈয়ে পুনৰ কয় যে দেশৰ শৈক্ষিক বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় বিদ্যালয় সমূহে আগবঢ়াই অহা সেৱা অতি মহান আৰু আদৰ্শনীয়। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ ছাত্ৰ-ছাত্ৰী সকলেও কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ অন্তৰ্গত বিদ্যালয় সমূহৰ পৰা শৈক্ষিক দিশত প্ৰভূত পৰিমাণে উপকৃত হৈ আহিছে। মুখ্য মন্ত্ৰী গগৈয়ে কয় যে ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত গুণগত শিক্ষা প্ৰদানৰ লগে লগে খেলা-ধুলা, গীত-মাত, নৃত্য-নাটক আদি অন্যান্য বিষয় সমূহৰ প্ৰতি আগ্ৰহান্বিত কৰি তোলাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। এনে কাৰ্যসূচীবোৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দেশাত্মবোধ, ভাতৃত্ববোধ আদি গুণৰাশিৰ বিকাশ হোৱাৰ উপৰি সমাজৰ প্ৰতি অধিক দায়বদ্ধ কৰি তোলাত সহায় কৰে বুলি মুখ্য মন্ত্ৰী গগৈয়ে কয়। নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী সকলক শাৰিৰীক-মানসিক উৎকৰ্ষ সাধনৰ জৰিয়তে উপযুক্ত মানৱ সম্পদ ৰূপে গঢ়ি তুলিবলৈ সক্ষম হলেহে আমাৰ দেশ তথা ৰাজ্যৰ প্ৰকৃত উন্নয়ন সম্ভৱ হ'ব বুলি মুখ্য মন্ত্ৰীয়ে কয়। তেওঁ কয় যে ক্ৰীড়াকে ধৰি বিভিন্ন ক্ষেত্ৰত অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট প্ৰতিভা আছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ গুৱাহাটী মণ্ডলৰ অন্তৰ্গত ৪২ খন কেন্দ্ৰীয় বিদ্যালয়ৰ খেলুৱৈয়ে অংশ গ্ৰহণ কৰা এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলে সুন্দৰ সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে।

অনুষ্ঠানত কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ গুৱাহাটী মণ্ডলৰ সহকাৰী আয়ুক্ত এ কে বাজপেয়ী, কামৰূপ (মেট্ৰো) জিলাৰ উপায়ুক্ত প্ৰতীক হাজেলা, কেন্দ্ৰীয় বিদ্যালয় খানাপাৰাৰ অধ্যক্ষা অঞ্জনা হাজৰিকাকে ধৰি কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ কেবাগৰাকীও শীৰ্ষ বিষয়া আৰু ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল।

ৰঃসা
৩১-০৮-০৯

জনসংযোগ, অসম প্ৰেছ বাৰ্ত্তা

# বৃত্তিমুখী শিক্ষা আৰু দক্ষতা বৃদ্ধিত ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ দিছে ঃ মুখ্য মন্ত্ৰী

দিছপুৰ, ৩১ আগষ্ট ঃ ৰাজ্যখনত বৃত্তিমুখী শিক্ষাৰ প্ৰসাৰ আৰু বিভিন্ন ক্ষেত্ৰত উন্নত প্ৰশিক্ষণৰে যুৱক-যুৱতী সকলৰ দক্ষতা বৃদ্ধি কৰাৰ বিষয়টোত ৰাজ্য চৰকাৰে সৰ্বাধিক অগ্ৰাধিকাৰ প্ৰদান কৰিছে। আজি গুৱাহাটীৰ খানাপাৰাস্থ প্ৰশাসনীয় প্ৰাধিকাৰী প্ৰশিক্ষণ মহাবিদ্যালয়ত শ্ৰম আৰু নিয়োগ বিভাগৰ উদ্যোগত আয়োজিত 'স্কীল ডেভলপমেন্ট ইন্ আছাম - দি ৱে এহেড' শীৰ্ষক কৰ্মশালা এখন আনুষ্ঠানিক ভাবে উদ্বোধন কৰি মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে এইদৰে কয়।

অনুষ্ঠানত মুখ্য মন্ত্ৰী গগৈয়ে কয় যে সম্প্ৰতি সমগ্ৰ বিশ্বতে শিল্প-উদোগ, ব্যৱসায়-বাণিজ্য আদি বিভিন্ন খণ্ডত উপযুক্ত কাৰিকৰী প্ৰশিক্ষণপ্ৰাপ্ত দক্ষতা সম্পন্ন লোক তথা মানৱ সম্পদৰ অভাৱ পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত ভাৰতবৰ্ষ পিচ পৰি আছে যদিও বিভিন্ন খণ্ডত যুৱক-যুৱতী সকলক বৃত্তিমুখী শিক্ষা, দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণ প্ৰদান কৰিলে দেশখনৰ যুৱক-যুৱতীয়ে নিজৰ দেশৰ চাহিদা পূৰণ কৰাৰ লগতে বিশ্বৰ ঘাটিও পূৰণ কৰিবলৈ সক্ষম হ'ব। মুখ্য মন্ত্ৰীয়ে পুনৰ কয় যে অসমত বৃত্তিমুখী শিক্ষা তথা বিভিন্ন ট্ৰেডত যুৱক-যুৱতী সকলৰ দক্ষতা বৃদ্ধিৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। যুৱক-যুৱতী সকলৰ উপযুক্ত প্ৰশিক্ষণ আৰু দক্ষতা বৃদ্ধিৰ জৰিয়তে দেশ তথা ৰাজ্যৰ নিবনুৱা সমস্যা সমাধানৰ লগতে অৰ্থনৈতিক বিকাশৰ দিশতো এক নতুন জাগৰণ আহিব বুলি মুখ্য মন্ত্ৰীয়ে সভাত উল্লেখ কৰে। মুখ্য মন্ত্ৰীয়ে ৰাজ্যখনৰ কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠানবোৰত নতুন পাঠ্যক্ৰমৰ অন্তৰ্ভূক্তি আৰু দেশৰ আগশাৰীৰ ঔদ্যোগিক প্ৰতিষ্ঠানৰ সৈতে সমন্বয় ৰক্ষাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ৰাজ্যিক স্কীল ডেভলপমেন্ট কাউন্সিলে দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ বিষয়েও মুখ্য মন্ত্ৰীয়ে সভাত কয়।

সভাত শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী পৃথিৱী মাঝিয়ে ভাষণ দি কয় যে যুৱক-যুৱতী সকলক দক্ষতা বৃদ্ধি আৰু কাৰিকৰী প্ৰশিক্ষণ দিবলৈ বৰ্ত্তমানৰ ৰাজ্য চৰকাৰে বিগত বছৰ কেইটাত বিভিন্ন ধৰণে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনৰ কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানবোৰত নতুন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ বাবে আসনৰ সংখ্যা বৃদ্ধিৰ ব্যৱস্থা কৰা হৈছে বুলি মন্ত্ৰী গৰাকীয়ে কয়। দেশৰ আগশাৰীৰ ঔদ্যোগিক প্ৰতিষ্ঠান, নিৰ্মাণ কোম্পানী আদিৰ সৈতেও এই ক্ষেত্ৰত বিভাগে প্ৰয়োজনীয় সমন্বয় ৰক্ষা কৰি যুৱক-যুৱতী সকলক উন্নত প্ৰশিক্ষণৰ সুবিধা প্ৰদান কৰিছে বুলি মন্ত্ৰী গৰাকীয়ে কয়। ৰাজ্যিক স্কীল ডেভলপমেন্ট মিছনৰ অধীনত গ্ৰহণ কৰা পদক্ষেপ সমূহৰ বিষয়েও মন্ত্ৰী গৰাকীয়ে সভাত ব্যক্ত কৰে। সভাত শ্ৰম আৰু নিয়োগ বিভাগৰ প্ৰধান সচিব কে কে মিট্টাল, সঞ্চালক মলয় বৰা উপৰিও চি আই আই, চি আই ডি চি আদিৰ বিষয়া সকলেও সভাত ভাষণ দিয়ে।

ৰঃসা
৩১-০৮-০৯